**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 04-08-2024**
**Time : 17-15 Hrs**

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::

অসম প্ৰদেশ বিজেপিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। তৃতীয়বাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে অধিষ্ঠিত হোৱা নৰেন্দ্ৰ মোদীক ধন্যবাদসূচক প্ৰস্তাৱৰ লগতে অভিনন্দন যাঁচি আৰম্ভ কৰা সভাখনত বিগত লোকসভা নিৰ্বাচনৰ ফলাফলৰ মূল্যায়ন কৰা হয়। ইয়াৰ লগতে ৰাজ্যৰ পাঁচটা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনৰ বাবে দলীয় কাৰ্যপ্ৰণালীৰ বিষয়তো কাৰ্যনিৰ্বাহক সভাত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যিক বিজেপিৰ নৱনিযুক্ত প্ৰভাৰী হৰিশ দ্বিৱেদীকে ধৰি ৰাজ্যিক বিজেপিৰ বিভিন্ন বিষয়ববীয়া, মুখপাত্ৰ, কোষ আৰু বিভাগৰ আহ্বায়ক তথা সাংসদ আৰু বিধায়কসকলৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ সভাপতিত্বত আজি কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। বিকশিত ভাৰতৰ যাত্ৰা অব্যাহত ৰাখি ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু তৃণমূল পৰ্যায়ত দলটোক সবল আৰু শক্তিশালী কৰি তোলাৰ সংকল্পৰে আজিৰ সভাই বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি দলৰ চৰকাৰখনে গ্ৰহণ কৰা জনকল্যাণমুখী কাম-কাজসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত দায়বদ্ধতাৰে কাম কৰি থকা দলীয় কৰ্মীসকলক আজিৰ সভাত কৃতজ্ঞতা জ্ঞাপন কৰা হয়।

০০০০০০০০

ভাৰতীয় পুৰুষ হকী দলটোৱে পেৰিছ অলিম্পিকৰ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনক ৪-২ গলত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক জয় কৰা লাভলীনা বৰগোঁহাই পেৰিছ অলিম্পিকৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত চীনৰ লী কিয়ানৰ হাতত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়। কোৱাৰ্টাৰ ফাইনেলৰ পাছত অসমৰ খেলুৱৈগৰাকীয়ে অসমবাসীক উদ্দেশ্যে আকাশবাণীৰ আগত এইদৰে কয়-

ভইচ কাষ্ট

ইফালে, পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত পৰাজয় বৰণ কৰে। সেনে কাইলৈ মালয়েছিয়াৰ লী জি জিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

০০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত কাইলৈৰ পৰা এঘাৰ আগষ্টলৈ শিক্ষা সপ্তাহ পালন কৰা হ'ব। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কাইলৈৰ দিনটো শিক্ষণ- শিকন সামগ্ৰীৰ দিন, পৰহিলৈ এফ এল এন দিন, ৭ আগষ্টৰ দিনটো ক্ৰীড়া দিন, ৮ আগষ্টত সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু

১১ আগষ্টৰ দিনটো সম্প্ৰদায় জড়িতকৰণ দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ জৰিয়তে শিক্ষা জগতলৈ অহা পৰিৱৰ্তন তথা সফলতাসমূহ এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

০০০০০০০০

বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে প্ৰতিষ্ঠানখনত শেহতীয়াকৈ চিকিৎসাৰ মাচুল বৃদ্ধি হোৱা বুলি সদৰি কৰিছে। তেওঁ কয় যে, বিগত ২০০২ চনত শেষবাৰৰ বাবে মাচুল বৃদ্ধি কৰাৰ পাছত এইবেলি চিকিৎসাৰ সৈতে জড়িত সকলো ধৰণৰ ব্যয় সামান্য পৰিমাণে বৃদ্ধি কৰা হৈছে। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত হোৱা ব্যয়ৰ জৰীপৰ ভিত্তিত জনসাধাৰণৰ অসুবিধা নোহোৱাকৈ তেজৰ পৰীক্ষা, এক্সৰেৰ পৰা আৰম্ভ কৰি পেইং কেবিনলৈকে কেইবাটাও ক্ষেত্ৰত মাচুল ন্যূনতম পৰিমানে বৃদ্ধি কৰা হৈছে। আয়ুষ্মান ভাৰত কাৰ্ড থকা ৰোগী সন্দৰ্ভত তেওঁ কয় যে, তেওঁলোকে পূৰ্বৰ দৰে এতিয়াও বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিব। এই কাৰ্ড নথকা ৰোগীসকলে বৰ্ধিত মাচুল আদায় দিব লাগিব। তেওঁ লগতে কয় যে, চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত বহিঃবিভাগত ৰোগীৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি হৈছে। ২০২০ চনত বহিঃবিভাগত ৰোগীৰ সংখ্যা এক লাখ ৩৩ হাজাৰ হোৱাৰ বিপৰীতে ২০২৩ চনত এই সংখ্যা ২ লাখ ৫৭ হাজাৰলৈ বৃদ্ধি হোৱা বুলি তেওঁ সদৰি কৰে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাভাই আজি ভাৰতীয় আইন প্ৰতিষ্ঠানৰ অসম ৰাজ্যিক শাখাৰ উদ্যোগত গুৱাহাটীৰ অসম কৃষি  বিশ্ব বিদ্যালয়ৰ আন্তৰাষ্ট্ৰীয় অতিথিশালাৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে।  ন্যায়াধীশগৰাকীয়ে ভাষণ প্ৰসংগত উচ্চতম ন্যায়ালয়ে বিভিন্ন সময়ত প্ৰদান কৰা ৰায়সমূহে আন আদালতসমূহক গোচৰ মিমাংসাৰ ক্ষেত্ৰত সহায় কৰা সন্দৰ্ভত আলোকপাত কৰে। ন্যায়িক অনুশাসন বজাই ৰাখিবলৈ দৃষ্টান্তমূলক ৰায়সমূহ অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে অনুষ্ঠান উদ্বোধন কৰি ভাষণ প্ৰসংগত ভাৰতীয় আইন প্ৰতিষ্ঠানৰ অসম ৰাজ্যিক শাখাই আইনৰ গৱেষণা আৰু প্ৰচাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন কাম-কাজৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ, কেৰালা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, ৰাজ্যৰ মহাধিবক্তা, ন্যায়িক  বিষয়া, জ্যেষ্ঠ অধিবক্তাকে ধৰি কেইবাগৰাকীও অধিবক্তা উপস্থিত থাকে।

০০০০০০০০

সমাপ্ত